**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-OCT-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

১। শাৰদীয় দুৰ্গা পূজাৰ আজি মহানৱমী। আজি দেৱী দুৰ্গাক সিদ্ধিদাত্ৰী ৰূপত পূজা অৰ্চনা।
২। জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰে জড়িত অভিযুক্ত শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাক গ্ৰেপ্তাৰ।
৩। যোৰহাট ষ্টেডিয়ামত প্ৰয়াত শিল্পী জুবিন গাৰ্গৰ ৰাজহুৱা আদ্যশ্ৰাদ্ধৰ আয়োজন।
৪। চেন্নাইৰ তাপবিদ্যুৎ কেন্দ্ৰৰ নিৰ্মাণস্থলীত কৰ্মৰত অসমৰ ৯ গৰাকী শ্ৰমিকৰ মৃত্যু। মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ।
**আৰু**
৫। মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ উদ্বোধনী খেলত শ্ৰীলংকাৰ বিৰুদ্ধে ভাৰতৰ ৫৯ ৰানত জয়লাভ।

০০০০০০

শাৰদীয় দুৰ্গাপূজাৰ আজি মহা নৱমী। আজি দেৱী দুৰ্গাক সিদ্ধিদাত্ৰী ৰূপত পূজা-অৰ্চনা কৰা হৈছে। দেৱীৰ এই ৰূপে আধ্যাত্মিক জ্ঞান আৰু মহৎ শক্তিক প্ৰতিফলিত কৰে।

অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ বিয়োগত ৰাজ্যজুৰি সৃষ্টি হোৱা শোকাকুল পৰিস্থিতিৰ মাজতে জনসাধাৰণে মহিষ মৰ্দিনী দুৰ্গাৰ আৰাধনা কৰিছে। ৰাজ্যৰ প্ৰতিখন পূজা মণ্ডপতে শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে তেওঁৰ গান শুনিবলৈ পোৱা গৈছে। ভালেসংখ্যক পূজা সমিতিয়ে এইবাৰ শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই আড়ম্বৰপূৰ্ণ সাংস্কৃতিক অনুষ্ঠানসমূহ বাতিল কৰিছে।

শক্তিপীঠ কামাখ্যা ধাম, বেলশৰৰ বিল্বেশ্বৰ দেৱালয়কে ধৰি প্ৰাচীন দেৱালয়সমূহত নৱৰাত্ৰিৰ প্ৰথম দিনাৰে পৰা যথাবিহিত ৰীতি-নীতিৰে দেৱী দুৰ্গাৰ পূজা-অৰ্চনা কৰা হৈছে। আজি বিভিন্ন স্থানত কুমাৰী পূজা সম্পন্ন হ'ব। মাৰ্কণ্ডেয় মুনিৰ আশ্ৰমখ্যাত উত্তৰ গুৱাহাটীৰ দীৰ্ঘেশ্বৰী দেৱালয়ত ভক্তসকলে বৈদিক পৰম্পৰাৰে দেৱীক আৰাধনাৰ লগতে পূজা-অৰ্চনা কৰিছে। কামৰূপ জিলাৰ বিভিন্ন অঞ্চলৰ প্ৰাচীন দেৱালয় আৰু অন্যান্য পূজা মণ্ডপসমূহত আজি নৱমী পূজা পৰম্পৰাগত ৰীতি-নীতিৰে কৰা হৈছে। জিলাখনত শাৰদীয় পূজা সন্দৰ্ভত এয়া আমাৰ সংবাদদাতা কৌশিক দাস–

*-ভইচ কাষ্ট-*

**ধেমাজি** জিলাৰ চিলাখুটিৰ ঐতিহাসিক শ্ৰীশ্ৰী তাম্ৰেশ্বৰী আই থানতো পৰম্পৰাগত ৰীতি-নীতিৰে আধ্যাত্মিকভাৱে দুৰ্গা পূজা অনুষ্ঠিত হৈছে।

**লখিমপুৰ** জিলাৰ ঢকুৱাখনাত অৱস্থিত শ্ৰীশ্ৰীঈশ্বৰী হাৰ্হি দেৱালয়ে এইবেলি ৩০৩ বছৰত ভৰি দিলে। মহা নৱমী উপলক্ষে এই দেৱালয়ত আজি পুৱাৰে পৰা ভক্তৰ সমাগত পৰিলক্ষিত হৈছে।

**বিশ্বনাথ** জিলাৰ অন্তৰ্গত গহপুৰত অপাৰেচন সিন্দূৰৰ আৰ্হিৰে নিৰ্মাণ কৰা পূজা মণ্ডপে ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰা দেখা গৈছে। পেহেলগামৰ হৃদয়বিদাৰক ঘটনাৰ পাছত সেনা বাহিনীৰ সফলতাৰ প্ৰতি শ্ৰদ্ধা জনাই গহপুৰৰ শান্তি ক্লাবে অপাৰেচন সিন্দূৰৰ আৰ্হিৰে পূজা মণ্ডপ নিৰ্মাণ কৰিছে।

বিত্তমন্ত্ৰী অজন্তা নেওগে কালি **গোলাঘাট** চহৰৰ মাজমজিয়াত আয়োজন কৰা কেইবাখনো পূজাস্থলীত উপস্থিত হৈ ৰাজ্যবাসীৰ কল্যাণ কামনা কৰি দেৱী দুৰ্গাৰ চৰণত সেৱা আগবঢ়াইছে।

**শিৱসাগৰ** ঐতিহাসিক দেৱী দৌলত পুৰাতন ৰীতিৰে ২৯২ বছৰীয়া দুৰ্গা পূজা পালন কৰা হৈছে। বিগত বৰ্ষসমূহৰ দৰে আনন্দ উছাহ নাই যদিও আধ্যাত্মিকতাৰ মাজেৰে এইবাৰ শাৰদীয় পূজা অনুষ্ঠিত হৈছে। শান্তি-সম্প্ৰীতি, সুখ-সমৃদ্ধি আৰু মংগল কামনাৰে দেৱী দৌলত হাঁহ, ছাগলী, কোমোৰা উচৰ্গা কৰি ভক্তই পূজা অৰ্চনা কৰিছে।

**বৰাক** উপত্যকাৰ জিলাকেইখনতো শাৰদীয় দুৰ্গাপূজাৰ মহা নৱমী উপলক্ষে আজি পবিত্ৰ পৰিৱেশে বিৰাজ কৰিছে। শিলচৰৰ ঐতিহ্যমণ্ডিত ৰামকৃষ্ণ মিছন সেৱাশ্ৰমত কালি পুৱাৰেপৰা অগণন ভক্তৰ সমাগম হয়। অৱশ্যে কালি ধুমুহা-বৰষুণৰ ফলত কাচাৰ জিলাৰ কেইবাখনো পূজা মণ্ডপৰ ক্ষতি হোৱা বুলি আমাৰ সংবাদদাতাই জনাইছে। কাচাৰ জিলাত শাৰদীয় পূজা সন্দৰ্ভত এয়া জিলাখনৰ পৰা আমাৰ সংবাদদাতা আঁখীৰাণী দাস।

*-ভইচ কাষ্ট-*

**বাক্সা** জিলাৰ ৰূপহীত আজি পুৱাৰে পৰা ৭৩ সংখ্যক ৰূপহী আঞ্চলিক সাৰ্বজনীন শ্ৰী শ্ৰী মা দুৰ্গা পূজা মহোৎসৱৰ মহা নৱমী পূজা আৰম্ভ হৈছে।

শিল্পীগৰাকীৰ মৃত্যুত শোকাচ্ছন্ন হৈ থকাৰ বাবে **ৰজালীৰ** পূজাস্থলীসমূহতো ভক্তৰ সমাগম হৈছে যদিও কোনোধৰণৰ উছাহ-উদ্দীপনা পৰিলক্ষিত হোৱা নাই। পূজা উদযাপন সমিতিসমূহে পৰম্পৰাগত ৰীতি-নীতিৰে দুৰ্গতিনাশিনী দেৱী দুৰ্গাৰ আশিস বিচাৰি আৰাধনা কৰিবলৈ ৰাইজক ব্যৱস্থা কৰি দিছে।

**বৰপেটা** জিলাৰ পূজাথলীসমূহত কালি বহুলোকৰ সমাগম হয়। প্ৰতিখন পূজাতে জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি কাৰ্যসূচী লোৱা হৈছে। ৰজা শিৱসিংহৰ পৃষ্ঠপোষকতাত স্থাপিত ডক্ৰেশ্বৰ দেৱালয়তো কালি বহু ভক্তৰ সমাগম হয়। আজি নৱমী পূজা পৰম্পৰাগত ৰীতি-নীতিৰে সম্পন্ন কৰাৰ বাবে দেৱালয়খনত সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈছে।

অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ মৃত্যুত শোকাকুল হৈ **গোৱালপাৰা** জিলাৰ প্ৰতিখন পূজা সমিতিয়ে জাক-জমকতা পৰিহাৰ কৰি আধ্যাত্মিকতাৰ মাজেৰে কেৱল বৈদিক ৰীতি নীতিৰে পূজা অৰ্চনা কৰা দেখা গৈছে।

দৰঙী কোচ ৰাজবংশৰ **মঙলদৈৰ** ৰজা হাউলীত ৪০৯ বছৰীয়া ঐতিহ্য আৰু পৰম্পৰাৰে কালি মহাষ্টমীত মুখমণ্ডলত ৰঙা ৰং বোলোৱা দুৰ্গাদেৱীৰ ৰণচণ্ডী ৰূপৰ বলি-বিধানেৰে পূজা-অৰ্চনা কৰা হয়।

০০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাত অভিযুক্ত শ্যামকানু মহন্ত আৰু মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাক যোৱানিশা এছ আই টিয়ে গ্ৰেপ্তাৰ কৰি আজি পুৱাতেই চি আই ডিৰ কাৰ্যালয়লৈ লৈ আহিছে। অৱশ্যে চৰকাৰী সূত্ৰই বিষয়ে কোনো কথা আনুষ্ঠানিকভাৱে প্ৰকাশ কৰা নাই। বিগত কেইবা দিন ধৰি এছ আই টিয়ে শিল্পীগৰাকীৰ মৃত্যুৰ ঘটনাৰ তদন্ত অব্যাহত ৰখাৰ লগতে চি আই ডিৰ কাৰ্যালয়ত এই ঘটনাৰ কেইবাগৰাকী প্ৰত্যক্ষদৰ্শীক জেৰা কৰিছিল। ইয়াৰ আগেয়ে কালি ছিংগাপুৰলৈ অসম আৰক্ষীৰ অপৰাধ অনুসন্ধানৰ শাখাৰ দুগৰাকী বিষয়া ৰাওনা হৈছিল। এছ আই টিয়ে কালিও ছিংগাপুৰলৈ শিল্পীগৰাকীৰ সৈতে যোৱা সহশিল্পী অমৃতপ্ৰভা মহন্ত, শেখৰজ্যোতি গোস্বামী, আৰক্ষী বিষয়া সন্দীপন গাৰ্গ আৰু ব্যৱসায়ী সঞ্জীৱ নাৰায়ণক জেৰা কৰিছিল। কালি আৰক্ষী বিষয়া সন্দীপন গাৰ্গক ১০ ঘণ্টাৰ অধিক সময় এছ আই টিয়ে জেৰা কৰে।

০০০০০০

প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ পাছত যোৰহাটত ৰাজহুৱাকৈ ৰাজ্য চৰকাৰৰ তৰফৰ পৰা আজি যোৰহাট ষ্টেডিয়ামত শিল্পীগৰাকীৰ শ্ৰাদ্ধানুষ্ঠানৰ আয়োজন কৰা হৈছে। জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গসহ পৰিয়ালৰ সদস্যসকলে প্ৰয়াত শিল্পীগৰাকীৰ চিতাভস্ম লৈ কালি যোৰহাটত উপস্থিত হয়। যোৰহাটলৈ ৰাওনা হোৱাৰ পথত সোণাপুৰত জুবিন গাৰ্গৰ সমাধিস্থলীত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি পত্নী গৰিমা শইকীয়া গাৰ্গে জুবিন গাৰ্গৰ আকস্মিক মৃত্যু সন্দৰ্ভত শান্তিপূৰ্ণভাৱে আইন-শৃংখলা বৰ্তাই ৰাখি ন্যায়ৰ বাবে দাবী জনাবলৈ সকলোকে আহ্বান জনায়।

যোৰহাটৰ ৰাইজে কালি শিল্পীগৰাকীৰ পৰিয়ালৰ পৰা অশ্রুসিক্ত নয়নেৰে চিতাভস্ম গ্ৰহণ কৰে। জিলাখনৰ কোষাগাৰ প্ৰাধিকৰণৰ ষ্ট্ৰংৰুমত কালি নিশা চিতাভস্মখিনি ৰখা হয়। আজি পুৱাৰে পৰা শিল্পীগৰাকীৰ চিতাভস্মত যোৰহাটবাসীয়ে শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে সৰ্বধৰ্ম প্ৰাৰ্থনা, নাম প্ৰসংগৰে ১৩ দিনীয়া মাংগলিক কাৰ্যসূচী অনুষ্ঠিত হৈছে। ৰাজ্যৰ প্ৰায় দুহেজাৰ ভকত-বৈষ্ণৱে এই নাম প্ৰসংগত অংশ ল'ব। লগতে এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত বহুসংখ্যক শিল্পীয়ে জুবিন গাৰ্গৰ লাইভ পেইণ্টিং কৰিব।

অনুষ্ঠান সুচাৰুৰূপে চলাই নিয়াৰ বাবে মন্ত্ৰী বিমল বৰাই যোৰহাট ষ্টেডিয়ামত উপস্থিত হৈ নিশাও আৰক্ষী প্ৰশাসনৰ উচ্চপদস্থ বিষয়াসকলৰ সৈতে সকলো দিশ নিৰীক্ষণ কৰে। কৰ্ণাধৰ সমিতিৰ সৈতে বৈঠকত মিলিত হৈ অনুষ্ঠান সুকলমে সম্পন্ন কৰিবলৈ তেওঁ সকলোৰে সহায় সহযোগিতা কামনা কৰিছে।

ইফালে প্ৰাণৰ শিল্পীগৰাকীৰ মৃত্যুৰ পাছত ডিব্ৰুগড় জিলাতো ১৩ দিনীয়া মাংগলিক নিয়ম যথা ৰীতি-নীতি পৰম্পৰাৰে আদ্যশ্ৰাদ্ধৰ আয়োজন কৰা হৈছে। জিলাখনৰ হিলৈধাৰী গাঁৱৰ ধ্ৰুৱজ্যোতি সংঘৰ উদ্যোগত আৰু ৰাইজৰ সহযোগত শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি নাম-কীৰ্তন কৰে। জিলাখনৰ নতুন নিৰ্মালী গাঁও, উদয়পুৰ, অসম চিকিৎসা মহাবিদ্যালয়ৰ ক্ষুদ্ৰ ব্যৱসায়ীসকলৰ লগতে বৃহত্তৰ ৰহমৰীয়াৰ চামনি গাঁৱতো শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়।

হোজাই জিলাৰ লংকা বাস আস্থানতো শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি আৰু আদ্যশ্ৰাদ্ধৰ আয়োজন কৰা হয়। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত জিলাখনত বহু বিশিষ্ট ব্যক্তিৰ লগতে শিল্পীগৰাকীৰ বহু গুণমুগ্ধই শিল্পীগৰাকীলৈ শেষ শ্ৰদ্ধা জনায়। নিশাও নাম-কীৰ্তন কৰা হয়।

000000

উত্তৰ চেন্নাই তাপবিদ্যুৎ কেন্দ্ৰ সম্প্ৰসাৰণৰ বাবে নিৰ্মাণকাৰ্য চলি থকাৰ সময়ত থিৰুভেল্লুৰ জিলাৰ মিঞ্জুৰৰ এটা নিৰ্মাণস্থলীত কৰ্মৰত অৱস্থাত অসমৰ ৯ গৰাকী শ্ৰমিকৰ মৃত্যু হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমত এটা বিশেষ বাৰ্তাযোগে এই কথা জানিবলৈ দিয়ে। এটা শোকবাৰ্তাযোগে মুখ্যমন্ত্ৰীয়ে নিহত শ্ৰমিকসকলৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে মৃতকৰ পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰীয়ে লগতে নিহত শ্ৰমিকসকলৰ পৰিচয়ো বাৰ্তাযোগে প্ৰকাশ কৰিছে। নিহত ৯ গৰাকী শ্ৰমিকৰ ৪ গৰাকী কাৰ্বি আংলং জিলাৰ আৰু ৫ গৰাকী শ্ৰমিক হোজাই জিলাৰ বুলি জানিব পৰা গৈছে। নিহত শ্ৰমিককেইজন হৈছে- মুন্না কেম্প্ৰাই, সৰৱজিৎ থাউছেন, ফাইবিট ফাংলু, বিদায়ুম পৰবছা, পবন ছৰং, প্ৰয়াস্তো ছৰং, ছুমন খাৰিকাপ, ডিমাৰাজ থাউছেন, দীপক ৰাইজুং। ইতিমধ্যে তামিলনাডু চৰকাৰৰ সৈতে যোগাযোগ কৰি নিহত শ্ৰমিককেইজনৰ নশ্বৰদেহ শীঘ্ৰে ঘূৰাই অনাৰ ব্যৱস্থা কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰিছে।

ইফালে এই দুৰ্ঘটনাত আন বহু শ্ৰমিক গুৰুতৰভাৱে আহত হয়। আহতসকলক ইতিমধ্যে তামিলনাডু চৰকাৰে চিকিৎসা প্ৰদানৰ ব্যৱস্থা কৰিছে। তামিলনাডুৰ মুখ্যমন্ত্ৰী এম কে ষ্টেলিনে দুৰ্ঘটনাত নিহতসকলৰ পৰিয়াললৈ ১০ লাখ টকা সাহায্য আগবঢ়োৱা হ'ব বুলি ঘোষণা কৰে।

000000

মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ উদ্বোধনী খেলখনত ভাৰতে শ্ৰীলংকাক ৫৯ ৰানত পৰাজিত কৰি জয়েৰে প্ৰতিযোগিতাৰ আৰম্ভণি কৰিছে। গুৱাহাটীৰ বৰ্ষাপাৰাৰ অসম ক্ৰিকেট এছ'চিয়েচন ষ্টেডিয়ামত যোৱানিশা অনুষ্ঠিত খেলখনত ভাৰতে ডি এল এছ পদ্ধতিত নিৰ্ধাৰণ কৰি ২৭১ ৰানৰ বিজৰ লক্ষ্যৰ প্ৰত্যুত্তৰত শ্ৰীলংকাই ৪৫ দশমিক ৪ অভাৰত ২১১ ৰানহে কৰিবলৈ সমৰ্থ হয়। বৰষুণৰ বাবে কেইবাবাৰো বিঘ্নিত হোৱা খেলখন ৪৭ অভাৰলৈ সীমিত কৰা হয়। ভাৰতে ৮ উইকেটত ২৬৯ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ অমনজৌত কৌৰে সৰ্বোচ্চ ৫৭ ৰানৰ বৰঙনি আগবঢ়ায়। শ্ৰীলংকাৰ হৈ ইনোকা ৰানাৱীৰাই চাৰিটা উইকেট অধিকাৰ কৰে। বৰষুণৰ বাবে ডাক ৱৰ্থ লুইচ

পদ্ধতিৰে শ্ৰীলংকাৰ সন্মুখত ২৭১ ৰানৰ বিজয় লক্ষ্য নিৰ্ধাৰণ কৰা হয়। ভাৰতৰ দিপ্তী শৰ্মাক প্লেয়াৰ অব দ্যা মেচ ঘোষণা কৰা হয়।

উল্লেখযোগ্য যে, ২০২৫ চনত এই মহিলা বিশ্বকাপ ক্রিকেট প্রতিযোগিতাৰ ৮টা দল - ভাৰত, শ্ৰীলংকা, অষ্ট্ৰেলিয়া, ইংলেণ্ড, নিউজিলেণ্ড, দক্ষিণ আফ্রিকা, বাংলাদেশে আৰু পাকিস্তানে অংশগ্ৰহণ কৰিছে। ত্ৰয়োদশ সংখ্যক এই বিশ্বকাপ ক্রিকেট প্রতিযোগিতাৰ খেলসমূহত ভাৰতৰ লগতে শ্ৰীলংকাতো অনুষ্ঠিত হ'ব। হৰমতপ্রীত কৌৰৰ নেতৃত্বত ভাৰতীয় দলটো অহা দেওবাৰে কলম্বোত পাকিস্তানৰ সন্মুখীন হ'ব।

০০০০০০

সমাপ্ত